নং ঃ ৪৪৬/২০২০

**ক'ভিড-১৯ সংক্ৰমণৰ শেহতীয়া পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# মাস্ক পৰিধান আৰু সামাজিক দূৰত্বৰ লেখীয়া ক'ভিড-১৯ প্ৰট'কল উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## মহানগৰীৰ ৩১ টা ৱাৰ্ডত অচিৰেই স্থাপন হ'ব স্বাৰ সংগ্ৰহ কেন্দ্ৰ

**দিছপুৰ, ২২ জুন ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মাস্ক পৰিধান নকৰা আৰু সামাজিক দূৰত্বৰ লেখীয়া স্বাস্থ্য সন্মত বিধিসমূহ মানি নচলা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ বাবে মুখ্য সচিবক নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত মুখ্য সচিব গৰাকীয়ে জিলাসমূহৰ প্ৰতিগৰাকী জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকক জৰুৰী নিৰ্দেশ জাৰি কৰাৰ বাবেও মুখ্য সচিবক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে এই ক্ষেত্ৰত নিয়ম উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে। আজি মুখ্যমন্ত্ৰীৰ সভাকক্ষত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যখনৰ ক'ভিড-১৯ সংক্ৰমণৰ শেহতীয়া স্থিতিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে এই নিৰ্দেশ দিয়ে।

বৈঠকৰ আৰম্ভণিতে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত ক'ভিড-১৯ ৰ সংক্ৰমণৰ শেহতীয়া স্থিতি মুখ্যমন্ত্ৰীক অৱগত কৰাৰ উপৰি ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে এই ৰোগ সংক্ৰমণৰ প্ৰতিৰোধকল্পে গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কে মুখ্যমন্ত্ৰীক অৱগত কৰে। স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে লগতে মুখ্যমন্ত্ৰীক জনায় যে বৰ্তমান মহানগৰীৰ ১২ টা টেষ্টিং চেণ্টাৰত জনসাধাৰণৰ বাবে স্ব-ইচ্ছাই স্বাৰ সংগ্ৰহ প্ৰক্ৰিয়া চলি আছে আৰু স্বাস্থ্য বিভাগে মহানগৰীৰ বৃহৎ সংখ্যক জনসাধাৰণৰ স্বাৰ পৰীক্ষাৰ সহায়ক হোৱাকৈ ৩১ টা ৱাৰ্ডতে একোটিকৈ চেম্পল কালেশ্যন চেণ্টাৰ তাৎক্ষণিকভাৱে স্থাপনৰ পদক্ষেপ ল'ব।

আজিৰ এই বৈঠকতে গুৱাহাটী মহানগৰীৰ ক্ৰমবৰ্দ্ধমান ক'ভিড-১৯ পজিটিভ ৰোগীৰ বিষয়টো বিতংভাৱে পৰ্যালোচনা কৰা হয় আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থাৰাজি গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে। বৈঠকত স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই বৰ্তমানে ক'ভিড-১৯ ৰ পৰা সুস্থ হৈ হাস্পতালৰ পৰা ওলাই যোৱা ৰোগীৰ সংখ্যা, স্বাৰ পৰীক্ষা কৰা লেবৰ সংখ্যা বৃদ্ধিৰ বাবে লোৱা পদক্ষেপ, বাহিৰৰ পৰা ৰাজ্যখনলৈ বিমান, ৰে'ল আৰু পথ যোগাযোগ ব্যৱস্থাৰে অহা লোকৰ সংখ্যা ইত্যাদি দিশসমূহ মুখ্যমন্ত্ৰীক অৱগত কৰে।

আজিৰ এই বৈঠকত স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুকে ধৰি প্ৰশাসন আৰু আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২২/০৬/২০২০**